No. of Printed Pages—8

82N/85N

[19-HRPGKOW–M3S(N) 20M]

MA 3rd Semester (New) Exam., 2019 (W)

ASSAMESE

[PGAS S3–04 (Lit)]

(সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখক : 1×8=8

(i) 'মহাপুৰাণ'ৰ সংখ্যা কিমান ? তিনি শ্ৰেণীৰ পুৰাণ কি কি ?

(ii) ভাৰতীয় বিদ্যাসমূহৰ 'বিশ্বকোষ' বুলি কোনখন পুৰাণক বুজা যায় ?

(iii) 'হিতোপদেশ'ৰ বিভাগসমূহ কি কি ?

(iv) 'চণ্ডীশতক' কোনে লিখিছে ? ইয়াৰ বিষয়বস্তু কি ?

(v) আয়ুৰ্বেদ শাস্ত্ৰৰ প্ৰধান অংগ কেইটা ?

(vi) 'সিদ্ধান্ত শিৰোমণি' গ্ৰন্থখন কোনে ৰচনা কৰিছিল ? ইয়াৰ ভাগকেইটা কি কি ?

(vii) 'ৰঘুবংশ'ৰ প্ৰথম সৰ্গটোৰ নামটো কি ? ইয়াত কেইটা শ্লোক আছে ?

(viii) 'অভিজ্ঞানশকুন্তলম্' নাটকখনিৰ বিদূষকজনৰ নামটো কি ?

(b) শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) তলৰ কোনখন পুৰাণ 'সাত্ত্বিক পুৰাণ'ৰ অন্তর্গত ?

(1) ভাগৱত পুৰাণ

(2) ব্রহ্ম পুৰাণ

(3) মৎস্য পুৰাণ

(4) ব্রহ্মবৈৱর্ত পুৰাণ

(ii) তলৰ কোনখন 'শতক' ভর্তৃহৰিয়ে ৰচনা কৰা নাই ?

(1) নীতি শতক

(2) অমৰু শতক

(3) বৈৰাগ্য শতক

(4) শৃঙ্গাৰ শতক

(iii) 'লীলাৱতী' গ্রন্থখনৰ লিখক হৈছে

(1) ভাস্কৰাচার্য্য

(2) মহাবীৰাচার্য্য

(3) ব্রহ্মগুপ্ত

(4) আর্য্যভট্ট (প্রথম)

(iv) 'ৰঘুবংশ'ৰ নায়ক কোন ?

(1) ৰঘু

(2) অজ

(3) মায়াসিংহ

(4) দিলীপ

(Continued)

(c) খালী ঠাই পূৰণ কৰক : 1×4=4

(i) _____ বেদত প্ৰথম 'শতককাব্য'ৰ চানেকি দেখা যায়।

(ii) বাস্তুবিদ্যাক _____ বিদ্যাও বোলে।

(iii) _____ প্ৰণীত গ্ৰন্থৰ নাম হৈছে 'অষ্টাঙ্গ সংগ্ৰহ'।

(iv) _____ শাস্ত্ৰৰ এজন প্ৰধান আচাৰ্য্য হৈছে বৰাহমিহিৰ।

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) 'পুৰাণ' শব্দটোৰ অৰ্থ কি ? চমুকৈ লিখক।

(b) 'শতকত্ৰয়' মানে কি ? চমুকৈ লিখক।

(c) 'চৰকসংহিতা'ৰ সংক্ষিপ্ত পৰিচয় প্ৰদান কৰক।

(d) বৰাহমিহিৰ কোন ? তেওঁৰ ৰচনাৰাজিৰ পৰিচয় দিয়ক।

(e) শকাৰ চৰিত্ৰটো ক'ত পোৱা যায় ? এই চৰিত্ৰটোৰ বৈশিষ্ট্য উল্লেখ কৰক।

(f) 'ৰঘুবংশ' মহাকাব্যখনৰ আধাৰগ্ৰন্থৰ সংক্ষিপ্ত পৰিচয় প্ৰদান কৰক।

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) 'পঞ্চতন্ত্ৰ'ৰ বিষয়ে এটি টোকা লিখক।

(b) 'ৰঘুবংশ' মহাকাব্যখনৰ নামাকৰণৰ তাৎপৰ্য্য বিচাৰ কৰক।

(c) শকুন্তলা চৰিত্ৰটোৰ ওপৰত এটি চমু টোকা লিখক।

(d) 'মৃচ্ছকটিক'ৰ প্ৰথম অংকৰ বিষয়বস্তুৰ সংক্ষিপ্ত আভাস দিয়ক।

(e) আয়ুৰ্বেদ শাস্ত্ৰৰ উৎসৰ ওপৰত চমুকৈ আলোকপাত কৰক।

4. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) 'গীতিকাব্য' কাক বোলে ? গীতিকাব্যৰ বিভাগসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

(b) সংস্কৃত গদ্যকাৰ হিচাপে সুবন্ধুৰ প্ৰতিভাৰ পৰিচয় দিয়ক।

(c) প্ৰাক্‌শংকৰী যুগৰ অসমত সংস্কৃত চৰ্চাৰ এটি আভাস দিয়ক।

(d) সংস্কৃত গল্পসাহিত্য ৰচনাৰ উদ্দেশ্য সম্বন্ধে চমুকৈ লিখক।

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) 'জয়কাব্য' বুলিলে কি বুজা যায় ? 'মহাভাৰত'ৰ ক্ৰমবিকাশৰ বিৱৰণ দি ইয়াৰ বিষয়বস্তু সম্বন্ধে এটি আলোচনা আগবঢ়াওক।

(b) কালিদাসৰ মহাকাব্য দুখনৰ নাম কি ? কালিদাস আৰু কালিদাস যুগৰ মহাকবিসকলৰ কাব্য-প্ৰতিভাৰ পৰিচয় দিয়ক।

(c) সংস্কৃত নাটকৰ উৎপত্তি আৰু বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰক।

(d) জ্যোতিৰ্বিদ্যাৰ পৰিচয় দি বিভিন্ন জ্যোতিৰ্বিদ্যা শাস্ত্ৰৰ ওপৰত এটি পৰিচয়াত্মক নিবন্ধ প্ৰস্তুত কৰক।